Total No. of Printed Pages—4

**6 SEM TDC ASM M 4**

**2 0 1 5**

( May )

ASSAMESE

( Major )

Course : 604

( বিশ্বসাহিত্যৰ পৰিচয় )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। সংক্ষিপ্ত উত্তৰ দিয়াঁ : ১×৮=৮

(ক) "চোবাই হজম কৰিবলগীয়া কিছু ৰচনাহে বিশ্বসাহিত্য বুলি বিবেচিত হ'ব পাৰে।" কথাষাৰ কোনে কৈছিল?

(খ) কালিদাসৰ 'অভিজ্ঞানশকুন্তলম্' নাটকত ব্যৱহাৰ কৰা এবিধ প্ৰাকৃত ভাষাৰ নাম লিখাঁ।

(গ) অ'হেন্‌ৰীৰ প্ৰকৃত নাম কি?

(ঘ) 'আফ্‌কে'জটেন' এখন ডাচ্ছ্‌ ভাষাৰ পুথিৰ ইংৰাজী নাম। ডাচ্ছ্‌ ভাষাত পুথিখনৰ নাম কি?

(ঙ) হাৰ্লেম নৱজাগৰণৰ সৈতে জড়িত কোনজন আমেৰিকান কবিৰ কবিতা তোমাৰ পাঠ্যক্ৰমত আছে?

(চ) 'বিশ্ব গল্প চয়নিকা'ৰ গ্ৰন্থকাৰৰ নাম লিখাঁ।

(ছ) 'সাহিত্য আৰু সাহিত্য' পুথিখন কোনে লিখিছিল?

(জ) শকুন্তলাৰ হাতৰ আঙঠিটো কোন ঠাইত হেৰাইছিল?

২। (ক) বিশ্বসাহিত্য সম্পৰ্কে প্ৰচলিত ধাৰণাসমূহ দাঙি ধৰি সেইবোৰৰ মাজৰ পৰা তোমাৰ গ্ৰহণযোগ্য ধাৰণাটো যুক্তি সহকাৰে বিচাৰি উলিওৱাঁ। ৮

*অথবা*

(খ) ভাৰতত বিশ্বসাহিত্য সম্পৰ্কীয় ধ্যান-ধাৰণাৰ আৰম্ভণিৰে পৰা সাম্প্ৰতিক সময়লৈকে হোৱা বিকাশৰ এটি ৰূপৰেখা দাঙি ধৰাঁ।

৩। চমুকৈ উত্তৰ দিয়াঁ (যি কোনো পাঁচোটা) : ৩×৫=১৫

(ক) শকুন্তলাৰ জীৱনত দুৰ্বাসাৰ অভিশাপৰ তাৎপৰ্য কেনে আছিল?

(খ) মেডাম্‌ লোৱাজেলৰ নাৰীসুলভ বাসনাৰ চিত্ৰ তোমাৰ পাঠ্য গল্পত কেনেদৰে প্ৰকাশ পাইছে?

(গ) মাৰুচী চৰিত্ৰটোৰ একপক্ষীয় প্ৰেমৰ পৰিণতি কেনেধৰণৰ হ'লগৈ?

(ঘ) 'উপহাৰ' গল্পত প্ৰকৃত প্ৰেমৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে?

(ঙ) 'আফ্‌কে'জটেন' উপন্যাসৰ আধাৰত ইউৰোপীয় গ্ৰাম্যজীৱনৰ ছবি এখন বৰ্ণনা কৰাঁ।

(চ) 'ক'লা মানুহৰ ল'ৰা' কবিতাটোত প্ৰকাশ পোৱা তিনিটা আকৰ্ষণীয় চিত্ৰকল্প সম্পৰ্কে লিখাঁ।

(ছ) 'ঘটনা' কবিতাত বৰ্ণবৈষম্য সম্বন্ধে কবিৰ দৃষ্টিভঙ্গী কেনে, নিজৰ মতে লিখাঁ।

(জ) 'অশ্ৰুতীৰ্থ' নাটকত নাট্যকাৰে প্ৰদৰ্শন কৰা মৌলিক দক্ষতা সম্পৰ্কে লিখাঁ।

৪। (ক) 'উপহাৰ' গল্পত জীৱন-স্বপ্ন আৰু স্বপ্নভঙ্গৰ কাৰুণ্য কেনেদৰে প্ৰকাশ পাইছে, বিশ্লেষণ কৰাঁ। ১২

*অথবা*

(খ) 'হীৰাৰ হাৰ' গল্পত প্ৰকাশ পোৱা মধ্যবিত্তীয় শ্ৰেণীৰ বিলাসী জীৱন-যাত্ৰাৰ অন্তঃসাৰশূন্যতা তোমাৰ নিজৰ ভাষাৰে বৰ্ণনা কৰাঁ।

৫। (ক) টমাছ হাৰ্ডিৰ কবিতাত প্ৰকাশিত হতাশাবোধৰ অন্তৰালত সমাজ-জীৱনৰ ভূমিকা কেনে? তোমাৰ পাঠ্য কবিতাটোৰ আধাৰত আলোচনা কৰাঁ। ১২

*অথবা*

(খ) নিষ্ঠুৰ শাসকৰ অধীনত সমাজৰ সৰ্বহাৰা শ্ৰেণীৰ জীৱনযাত্ৰাৰ চিত্ৰ 'সময়ৰ সন্তানবোৰ' কবিতাত কি ৰূপত ফুটি উঠিছে, তোমাৰ ভাষাৰে লিখাঁ।

৬। (ক) 'আফ্‌কে'জটেন' উপন্যাসত মাতৃ হিচাপে 'আফ্‌কে' চৰিত্ৰটোৰ বিকাশ আৰু বিস্তাৰ সম্বন্ধে এটি আলচ যুগুত কৰাঁ। ১২

*অথবা*

(খ) শকুন্তলাক আদৰ্শ ভাৰতীয় নাৰী বুলিব পাৰিনে? তোমাৰ পাঠ্য নাটকৰ সহায়ত আলোচনা কৰাঁ।

৭। (ক) ফেডাৰিক, গাৰ্ছিয়া লৰ্‌কাৰ 'প্ৰথম বাসনাৰ গীত'ত মানৱীয় প্ৰেমৰ মহত্ত্ব কিদৰে ঘোষিত হৈছে, ফঁহিয়াই দেখুওৱাঁ। ১৩

*অথবা*

(খ) " 'অভিজ্ঞানশকুন্তলম্' নাটকত নৈসৰ্গিক প্ৰকৃতি যেন নিজে চৰিত্ৰ হৈ উঠিছে।" কথাষাৰ বিশ্লেষণ কৰাঁ।

★★★